**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-JUNE-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই ভূমি ৰূপান্তৰ বিধি অধিক সৰল কৰি তোলাৰ উদ্দেশ্যে অসম ভূমি পুনৰ শ্ৰেণীভুক্তকৰণ তথা হস্তান্তৰ নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৬ ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ আগত কয়, যে ৰাজ্যত উদ্যোগিক আৰু বাণিজ্যিক বিনিয়োগত উদগনি যোগোৱাৰ লক্ষ্যৰে প্ৰস্তুত কৰা এই বিধেয়কখন বিধানসভাৰ আসন্ন বাজেট অধিবেশনত উত্থাপন কৰা হব। ইয়াৰ অধীনত ক্ষুদ্ৰ, খাদী উদ্যোগ আৰু সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে স্বয়ংক্ৰিয়ভাৱে ভূমি ৰূপান্তৰৰ অনুমতি লাভ কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে।

বাইট

ড° শৰ্মাই কয় যে সুলভ মূল্যৰ দোকানসমূহৰ কাম-কাজ নিৰৱচ্ছিন্নভাৱে অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত হিতাধিকাৰীসকলক সুকলমে খাদ্য বিতৰণৰ বাবে ৰাজ্যৰ সকলো সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰৰ বৈধ্যতাৰ সময়সীমা ৩০ জুনৰ পৰিৱৰ্তে ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে বৈঠকত অসম চাহ নিগম লিমিটেডক ৯ কোটি ৭৫ লাখ টকাৰ পুজি মুকলি কৰি দিয়াত অনুমোদন দিয়া হৈছে। এই পুঁজি অসম চাহ নিগম লিমিটেডে কাৰ্যবাহী বিষয়াসকলৰ স্বেচ্ছামূলক অৱসৰৰ বাবে ব্যৱহাৰ কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মন্ত্ৰীসভাই গ্ৰামাঞ্চলত ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে ন্যূনতম ভূমিৰ প্ৰয়োজনীয়তা ৬০ বিঘাৰ পৰা ৩৫ বিঘালৈ আৰু চহৰাঞ্চলৰ ৩০ বিঘাৰ পৰা ২১ বিঘালৈ হ্ৰাস কৰাৰ ক্ষেত্ৰতো অনুমোদন দিছে। তেওঁ কয়, যে নিৰ্ধাৰিত শৈক্ষিক আৰু সুৰক্ষাৰ মান নিশ্চিত কৰাৰ লগতে বিদ্যালয় শিক্ষাখণ্ডত প্ৰস্তাৱৰ অধীনত চৰ অঞ্চলৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ পৰা মাধ্যমিক বিদ্যালয়ৰ প্ৰয়োজনীয় ন্যূনতম বিল্ট আপ এলেকা এক বিঘা আৰু গ্ৰামাঞ্চলৰ বাবে ৩ বিঘা কৰা হৈছে। এনে বিদ্যালয়ত অনাময় ব্যৱস্থা, খোৱাপানী, চাৰিসীমাৰ দেৱাল, দুৰ্যোগ প্ৰশমন তথা দিব্যাংগসকলৰ বাবে অনুকুল ব্যৱস্থা বাধ্যতামূলক হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে বৈঠকত ৰাজ্যৰ হোমষ্টে'সমূহৰ পঞ্জীয়ন সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত লোৱা হৈছে বুলি সদৰী কৰে। হোমষ্টে'সমূহে তিনি বছৰৰ মূৰে মূৰে পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব আৰু কোঠাৰ সংখ্যা ৬ৰ পৰা ৮'লৈ বৃদ্ধি কৰিব পাৰিব বুলি বৈঠকত সিদ্ধান্ত লোৱা হয়। এটা প'ৰ্টেলত এই পঞ্জীকৰণ নৱীকৰণ কৰিব লাগিব। তেওঁ লগতে জাপানৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে বুলি প্ৰকাশ কৰে। ড° শৰ্মাই কয় যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ সচিব বিক্ৰম মিশ্ৰীয়ে এই কথা ইতিমধ্যে স্পষ্ট কৰিছে।

০০০০০০

ৰাজ্যৰ বিশিষ্ট ভাস্কৰ্য শিল্পী আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ, সংগীত শিল্পী পখিলা লেক্‌থেপি আৰু যোগেশ দেউৰীক কালি পদ্মশ্ৰীৰে সন্মানিত কৰা হয়। কবিন্দ্ৰ পুৰকায়স্থক মৰনোত্তৰভাৱে পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হয়।

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত কালি চলিত বৰ্ষৰ পদ্ম সন্মান প্ৰদান কাৰ্যসূচীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে তেওঁলোকক পদ্মশ্ৰী সন্মান প্ৰদান কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, গৃহ

মন্ত্ৰী অমিত শ্বাহ, বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০ৰ

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাজিৰহাট আৰু গোটাবাৰী গাঁও পঞ্চায়ত এলেকাত প্ৰায় ২০ দিন ধৰি অব্যাহত থকা ব্ৰহ্মপুত্ৰৰ খহনীয়াই জটিল ৰূপ ধাৰণ কৰিছে। খহনীয়াৰ কবলত পৰাৰ ফলত বৰবালু এল পি স্কুল স্থানান্তৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। তদুপৰি বৰবালু অংগনৱাড়ী কেন্দ্ৰটোও স্থানান্তৰ কৰা হৈছে। আনহাতে গোটাবাৰী গাঁৱৰ ২১টা, বৰাইটাৰীৰ ৩৫টা আৰু বৰবালু গাঁৱৰ ৭১টা পৰিয়ালকে ধৰি মুঠ ১২৭টা পৰিয়ালে খহনীয়াৰ ফলত ঘৰ-বাৰী হেৰুৱাই নিৰাপদ স্থানত আশ্ৰয় ল’বলগীয়া হৈছে। ইফালে খহনীয়াৰ তীব্ৰতা নিয়ন্ত্ৰণৰ বাবে জলসম্পদ বিভাগে খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰিছে।

০০০০০০

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা ধামলৈ দেশ-বিদেশৰ অগণন ভক্তৰ সমাগম হৈছে। সোমবাৰৰ নিশা প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। এই দিনকেইটাত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ’ব।

অম্বুবাচী মহাযোগ সন্দৰ্ভত দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, ভক্তসকলৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ পৰ্যটন বিভাগ, জিলা প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। একাংশ দল-সংগঠনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱী সংগঠনসমূহে ভক্তসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰয়াস কৰিছে। অম্বুবাচীলৈ অহা ভক্তসকলৰ বাবে ভূতনাথ শ্মশান প্ৰাঙ্গনত বিজেপিৰ কৃষক মৰ্চাৰ উদ্যোগত খাদ্যৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০

**সমাপ্ত**